**➔ এইচ. আই.ভি./এইড্‌ছ (HIV/AIDS) এক দুৰ্বহ ব্যাধি**

**এইড্‌ছ শব্দটো গঠিত হৈছে এইদৰে**

| | |
|---|---|
| A = ACQUIRED, | অৰ্জিত |
| I = IMMUNO | ৰোগ প্ৰতিষেধক |
| D = DEFICIENCY | হ্ৰাসপ্ৰাপ্ত |
| S = SYNDROME | লক্ষণ |

গতিকে এইড্‌ছ মানে হৈছে Acquired Immuno Deficiency Syndrome অৰ্থাৎ অৰ্জিত ৰোগ প্ৰতিষেধক হ্ৰাসপ্ৰাপ্ত লক্ষণ। এই অৱস্থা Human Immuno Deficiency Virus, অৰ্থাৎ চমুকৈ HIV-ৰ সংক্ৰমণৰ বাবে হয়। এই এইছ. আই. ভি. (HIV) নামৰ বীজাণুটোৱে যেতিয়া শৰীৰৰ ভিতৰত প্ৰৱেশ কৰি ই শৰীৰৰ ৰোগ প্ৰতিষেধক ব্যৱস্থাটোক ধ্বংস কৰিবলৈ আৰম্ভ কৰে আৰু প্ৰায় ৮-১০ বছৰমানৰ ভিতৰত ৰোগ প্ৰতিষেধক ব্যৱস্থাটোক সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলায়। ইয়াৰ ফলত এইচ. আই. ভি.-ৰ দ্বাৰা আক্ৰান্ত ব্যক্তিজনে অনাক্ৰান্ত নোহোৱা ব্যক্তিজনৰ দৰে ৰোগ প্ৰতিৰোধ কৰিব নোৱাৰে। ফলত মৃত্যু অনিবাৰ্য। এইচ. আই. ভি. বীজাণুৱে এজন ব্যক্তিৰ পৰা আন এজনলৈ কিছুমান দৈহিক কাৰ্যকলাপৰ জৰিয়তে বিয়পে। এইডচ. আই. ভি সংক্ৰমণৰ অন্তিম অৱস্থা। এই অৱস্থাত আক্ৰান্ত ব্যক্তিৰ দেহত নানা ধৰণৰ ৰোগে দেখা দিয়ে। এইডচ্ নোহোৱালৈকে এইচ. আই. ভিৰ দ্বাৰা আক্ৰান্ত হ'লেও ব্যক্তিজনৰ দেহত কোনো ধৰণৰ বেমাৰৰ লক্ষণ দেখা নিদিয়ে। অৱশ্যে তেওঁলোকে তেওঁলোকৰ শৰীৰত থকা এইচ. আই. ভি.ৰ দ্বাৰা অন্য লোকক আক্ৰান্ত কৰিব পাৰে। এইচ. আই. ভি.ৰ কোনো মধ্যৱৰ্তী বাহক নাই আৰু সেইবাবে মহ বা অন্য কীট-পতঙ্গৰ দ্বাৰা এই ৰোগ নিবিয়পে।

এইচ. আই. ভি. বা এইড্‌ছ কেনেকৈ বিয়পে জনাটো অতি আৱশ্যক। এইডছ ভাইৰাচ এজন ব্যক্তিৰ পৰা আন এজনলৈ তেজ, বীৰ্য (যৌনৰস) আৰু মাতৃদুগ্ধৰ জৰিয়তে সম্প্ৰসাৰিত হয়। গতিকে এইচ. আই. ভি. প্ৰধানতঃ তিনি প্ৰকাৰে বিয়পিব পাৰে ঃ

(ক) এজন এইচ. আই. ভি. আক্ৰান্ত ব্যক্তিৰ লগত হোৱা যৌন সম্পৰ্কৰ দ্বাৰা।

(খ) এজন এইচ. আই. ভি. আক্ৰান্ত ব্যক্তিৰ লগত প্ৰত্যক্ষভাৱে তেজৰ আদান-প্ৰদান হোৱাৰ দ্বাৰা। সাধাৰণতে এইচ. আই. ভি, সংক্ৰমিত ব্যক্তিক দিয়া বেজী পুনৰ ব্যৱহাৰ কৰাৰ দ্বাৰা।

(গ) এইচ. আই. ভি. আক্ৰান্ত মাকৰ পৰা তেওঁৰ শিশুটিলৈ গৰ্ভাৱস্থাত, জন্ম দিয়াৰ সময়ত নতুবা মাতৃদুগ্ধ খুউৱাৰ ফলত শিশুৰ দেহত ৰোগ সংক্ৰামিত হ'ব পাৰে। এক সমীক্ষা মতে এইচ. আই. ভি.ৰ দ্বাৰা আক্ৰান্ত মাতৃয়ে জন্ম দিয়া প্ৰতি পাঁচটি শিশুৰ এটা শিশু এই ৰোগত আক্ৰান্ত হয় মাকৰ গাখীৰৰ জৰিয়তে।

মনত ৰাখিবলগীয়া যে এইৰোগ সংস্পৰ্শৰ দ্বাৰা বা আক্ৰান্ত ব্যক্তিৰ সৈতে একেলগে খোৱা-বোৱা কৰিলে বা কাহ, হাচি আৰু কৰমৰ্দনৰ জৰিয়তে নিবিয়পে। এইচ. আই. ভি. বীজাণুটো যেতিয়ালৈকে এজন ব্যক্তিৰ তেজৰ লগত প্ৰত্যক্ষভাৱে মিলি নাযায়, তেতিয়ালৈকে সেই ব্যক্তিজনক আক্ৰমণ কৰিব নোৱাৰে।

Scanned with CamScanner

পোৱা যায়। ইয়াৰ উপৰিও মহিলাসকলৰ পুৰুষৰ তুলনাত এই ৰোগ সংক্ৰমণৰ সম্ভাৱনা অধিক।

এইডছ বা এইচ. আই. ভি.ৰোগত আক্ৰান্ত হোৱাটো ধৰা পেলোৱা

সাধাৰণতে এইডছ টেষ্ট বুলি কোনো পৰীক্ষা নাই। এইডছ টেষ্টত তেজ পৰীক্ষা কৰি মাত্ৰ এইচ. আই. ভিৰ বিৰুদ্ধে দেহত কোনো ধৰণৰ এন্টিবডি সৃষ্টি হৈছে নেকি তাকেহে চোৱা হয়। যদি কোনো এজন ব্যক্তিৰ তেজৰ পৰীক্ষাত সেই এন্টিবডি পোৱা যায়, তেতিয়া ধৰি লোৱা হয় যে সেই ব্যক্তিজন এনে ভাইৰাছত আক্ৰান্ত হৈছে।

সাধাৰণতে এইডছৰ বাবে এলাইজা পৰীক্ষা (Elisa Test) কৰা হয়। এলাইজা পৰীক্ষাৰ মাধ্যমত এইচ. আই. ভি. নিৰূপণ কৰাৰ উপৰিও ইয়াক নিশ্চিত কৰিবৰ বাবে "ৱেষ্টাৰ্ণ ব্লটটেষ্ট' (Western blot test) নামৰ পৰীক্ষাটোও কৰি লব লাগে।

**এইডছৰ লক্ষণ :**

এইডছৰ সাধাৰণ লক্ষণবোৰ হ'ল শৰীৰৰ ঠায়ে ঠায়ে গাঁঠি উঠা, মুখৰ ভিতৰত চকলা-চকল বগা চামনি পৰা, শৰীৰৰ ওজন হ্ৰাস পোৱা, সঘনে জ্বৰ হোৱা, ৰাতি প্ৰচুৰ ঘাম হোৱা, শাৰীৰিক দুৰ্বলতা আৰু ভাগৰিয়া। এই ৰোগে আনকি কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত আঘাত হানিব পাৰে আৰু ফলত স্মৃতিশক্তি হেৰুওৱা আৰু কথা কোৱাত সমস্যাৰ সৃষ্টি কৰিব পাৰে।

**এইডছ কেনেকৈ বিয়পে :** এইডছ কুৰি শতিকাৰ শেষৰ ফালে নতুনকৈ উদ্ভৱ হোৱা এটা মাৰাত্মক ৰোগ। বিশ্বত প্ৰথমে এইডছ ৰোগী চিনাক্ত হয় আমেৰিকাৰ লছ এঞ্জেলছ চহৰত ১৯৮১ চনত। সম্প্ৰতি আফ্ৰিকাৰ লগতে এছিয়া মহাদেশ, বিশেষকৈ দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াত এই ৰোগত আক্ৰান্ত হোৱা ব্যক্তিৰ সংখ্যা দ্ৰুতভাৱে বৃদ্ধি পাইছে। বিশ্বৰ সৰ্বাধিক জনবসতিপূৰ্ণ এছিয়াত এইডছ আক্ৰান্তৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। ৰাষ্ট্ৰসংঘৰ তথ্য মতে সম্প্ৰতি সমগ্ৰ বিশ্বত প্ৰায় ৪০ নিযুত এইডছ আক্ৰান্ত ব্যক্তি আছে। ইয়াৰ ২৫ নিযুতেই আফ্ৰিকাৰ। অন্যহাতে এছিয়াৰ ভিতৰত চীন, ইণ্ডোনেছিয়া, ম্যানমাৰ, থাইলেণ্ড, কাম্বোডিয়া আৰু ভিয়েটনামত এইডছ আক্ৰান্তৰ সংখ্যা আটাইতকৈ অধিক। অন্যহাতে এইচ. আই. ভি. পজিটিভ বুলি জনা যোৱা ব্যক্তিৰ সংখ্যা দক্ষিণ আফ্ৰিকাৰ পিছত ভাৰতত সৰ্বাধিক। ভাৰতৰ মাদ্ৰাজত ১৯৮৬ চনৰ এপ্ৰিল মাহত প্ৰথমে ছয়গৰাকী মহিলা যৌনকৰ্মীৰ তেজত এই ৰোগৰ বীজাণু ধৰা পৰে। সেই বছৰৰে মে' মাহত দেশৰ প্ৰথমজন এইডছ ৰোগীৰ মৃত্যু হয়। ভাৰতত ২০০৩ চনৰ ডিচেম্বৰ মাহলৈ ৪.৮ নিযুত এইচ. আই. ভি. পজিটিভ ব্যক্তি আৰু ৫১,১৫১ জন এইডছ ৰোগী পোৱা যায়। আনহাতে অসমতো এইচ আই ভিৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ সংখ্যা আজি কিছু বছৰৰ পৰা বৰ ভয় লগাকৈ বৃদ্ধি পাইছে। ১৯৯১ চনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত অসমৰ প্ৰথমজন এইডছ ৰোগী চিনাক্ত হয়। অসমত ২০০৩ চনৰ ডিচেম্বৰলৈ ১৯৮ জন (১৬ জন পুৰুষ আৰু ৩২ গৰাকী মহিলা) এইডছ ৰোগী আৰু ৫৬৪ জন এইচ. আই. ভি. পজিটিভ ব্যক্তি চিনাক্ত হৈছে। এতিয়ালৈকে অসমত ২৫ জন এইডছ ৰোগীৰ মৃত্যু ঘটিছে। উত্তৰ-পূব ভাৰতত এইচ. আই. ভি. আক্ৰান্ত অৰ্থাৎ এইডছ ৰোগীৰ সংখ্যা মণিপুৰতেই সৰ্বাধিক।

**এইডছৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ :**

এইডছৰ পৰা আৰোগ্য হোৱাৰ এতিয়ালৈকে কোনো চিকিৎসা বা টীকা ওলোৱা নাই। অৱশ্যে ৰোগী এজনক এই ৰোগৰ প্ৰকোপ লেহেমীয়া কৰি ৰখাৰ বিভিন্ন ঔষধৰ বিধান আছে। বিজ্ঞানীসকলে এইডছৰ পৰা আৰোগ্য লাভ কৰাৰ ঔষধ-পাতি উলিওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইতিমধ্যে আয়ুৰ্বেদীয় ব্যৱস্থাত অৰ্থপূৰ্ণ গৱেষণা হৈছে।

প্ৰতিৰোধেই এইডছৰ শ্ৰেষ্ঠ তথা একমাত্ৰ চিকিৎসা। এইচ. আই. ভি. বা এইডছৰ বিৰুদ্ধে ল'বলগীয়া সাৱধানতা হ'ল—

- কেৱল এজন বিশ্বাসী সঙ্গীৰ লগত যৌন সম্পৰ্ক বজাই ৰখা।
- নিচাযুক্ত দ্ৰব্য ব্যৱহাৰ কৰিব নালাগে। অন্য লোকে ব্যৱহাৰ কৰা বেজী, চিৰিঞ্জ আদি কেতিয়াও ব্যৱহাৰ কৰিব নালাগে।

Scanned with CamScanner

৭। যদি কেতিয়াবা তেজ গ্ৰহণ কৰিবলগীয়া হয় তেন্তে ভালদৰে পৰীক্ষা কৰিহে এইচ. আই. ভি. মুক্ত তেজ লোৱা উচিত।

৮। যৌন সম্পৰ্কৰ ক্ষেত্ৰত জন্মনিৰোধক কণ্ডম ব্যৱহাৰ কৰা উচিত।